# India's participation in the Intra-Afghan negotiations

September 12, 2020

# আন্তঃ-আফগান আলোচনাত ভাৰতৰ অংশগ্ৰহণ

ছেপ্টেম্বৰ 12, 2020

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে 12 ছেপ্টেম্বৰ 2020 তাৰিখে ড'হাত অনুষ্ঠিত হোৱা অন্তৰ-আফগান আলোচনাৰ উদ্বোধনী অনুষ্ঠানত ভিডিঅ' কনফাৰেন্স যোগে অংশগ্ৰহণ কৰে। কাটাৰৰ উপ-প্ৰধানমন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰী এইচ.ই. মহম্মদ বিন আব্দুল ৰহমান বিন জাছিম অল থানিৰ নিমন্ত্ৰণ ক্ৰমে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গৰাকীয়ে এই বৈঠকত অংশগ্ৰহণ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গৰাকীয়ে তেওঁৰ ভাষণত ভাৰত আৰু আফগানিস্থানৰ মাজৰ শতক জোৰা সম্পৰ্কৰ কথা দোহাৰে যি সময়ৰ সকলো পৰীক্ষাত উত্তীৰ্ণ হৈছে। তেওঁ আফগানিস্থানৰ সৈতে এক গুৰুত্বপূৰ্ণ অংশীদাৰ হৈ আফগানিস্থানৰ 38 খন প্ৰদেশৰ 400 ৰো অধিক প্ৰকল্পৰ সফল সমাপনত ভাৰতে পালন কৰা ভূমিকাৰ কথা কয়।.

বৈদেশিক মন্ত্ৰী গৰাকীয়ে আৰু কয় যে আফগানিস্থানৰ ক্ষেত্ৰত ভাৰতৰ নীতিসমূহ সদায় অপৰিবৰ্তিত। ভাৰতে আফগানিস্থান-পৰিচালিত, আফগানিস্থানৰ স্বকীয়, আফগানিস্থান-নিয়ন্ত্ৰিত শান্তি প্ৰক্ৰিয়াত বিশ্বাস কৰে যিয়ে জাতীয় সাৰ্বভৌমত্ব আৰু আঞ্চলিক একতাক সন্মান কৰে আৰু আফগানিস্থানত এখনি গণতান্ত্ৰিক ইছলামিক প্ৰজাতন্ত্ৰৰ স্থাপনৰ বিকাশৰ সংৰক্ষণ কৰে। লঘু সম্প্ৰদায়ৰ লোকসকল, মহিলা আৰু সমাজৰ অসুৰক্ষিত শ্ৰেণীসমূহৰ সংৰক্ষণৰ লগতে দেশজুৰি আৰু ওচৰ-চুবুৰীয়া দেশসমূহত চলি অহা হিংসাক ফলপ্ৰসুৰূপে দমন কৰিব পাৰিব লাগিব।

বৈদেশিক মন্ত্ৰী গৰাকীয়ে আশা কৰে যে এই আন্ত: আফগান আলোচনাৰ জৰিয়তে আফগানিস্থানৰ নাগৰিকসকলৰ প্ৰত্যাশা- এখনি স্বাধীন আৰু সাৰ্বভৌম ৰাষ্ট্ৰত এটি শান্তিপূৰ্ণ আৰু প্ৰগতিশীল ভৱিষ্যতৰ সপোন যাতে পূৰণ কৰিব পৰা যায়

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব শ্ৰী জে.পি.সিঙৰ নেতৃত্বত যোৱা জ্যেষ্ঠ বিষয়াসকলৰ এটা দলে ড'হাত অনুষ্ঠিত হোৱা এই উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 12, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.